।। চিৰ চেনেহী মোৰ ভাষা জননী ।।

অসম সাহিত্য সভাৰ

## নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভা

কাৰ্যালয় :: সাৰ্বজনীন কেন্দ্ৰ চৌহদ, শোধনাগাৰ নগৰাঞ্চল, গোলাঘাট - ৭৮৫ ৬৯৯, জিলা :: গোলাঘাট

পঞ্জীয়ন ক্ৰমাংক : ১/২০০১-২০০২, দিনাংক : ০৭-০৭-২০০১


---

প্ৰসঙ্গ : নু:শো:শা:সা:স:/২০০৯-১০ দিনাংক : ২৮-১২-২০০৯

# জাননী

নুমলীগড় শোধনাগাৰৰ কৰ্মচাৰীবৃন্দ তথা পৰিয়ালবৰ্গ আৰু নগৰাঞ্চলৰ আবাসীসকলক জনাবলৈ পাই সুখী হৈছোঁ যে বিগত বৰ্ষত নগৰাঞ্চলৰ কলাপ্ৰেমী ৰাইজৰ পৰা লাভ কৰা ইতিবাচক সঁহাৰিৰ পৰিপ্ৰেক্ষিতত নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভাৰ উদ্যোগত অহা ১০, ১১ আৰু ১২ জানুৱাৰী, ২০১০ তাৰিখে তিনি নিশাৰ নাট প্ৰদৰ্শনীৰ বাবে অসমৰ এটি আগশাৰীৰ ভ্ৰাম্যমান নাট্যগোষ্ঠী, 'ৰাজ মহল থিয়েটাৰ'দলক আমন্ত্ৰণ জনোৱা হৈছে।

নগৰাঞ্চলৰ আবাসীসকলৰ মনোৰঞ্জনৰ বাবে আমন্ত্ৰিত নাট্যদলটিৰ নাট্যাভিনয় উপভোগ কৰাৰ সুবিধাৰ্থে প্ৰৱেশ পত্ৰসমূহ থিয়েটাৰ পৰিচালনা সমিতিৰ সদস্যৰ যোগেদি আগতীয়াকৈ বিতৰণৰ ব্যৱস্থা কৰা হৈছে। উল্লেখযোগ্য যে নাটক চলি থকা সময়ত টিকট বিক্ৰী বিপণী নাথাকিব। সেয়েহে ইচ্ছুক কলাপ্ৰেমীসকলক নিম্নোক্ত সদস্যসকলৰ পৰা টিকটসমূহ সংগ্ৰহ কৰিবলৈ অনুৰোধ জনোৱা হ'ল। টিকটসমূহ মাত্ৰ তিনিটা শ্ৰেণীৰ বাবে ব্যৱস্থা কৰা হৈছে - (১) কাঁচিষলি (২ জনীয়া) - ৫০০ টকা, (২) কাঁচিষলি (১ জনীয়া) - ৩০০ টকা, (৩) কেঁহজালি (২ জনীয়া) - ৪০০ টকা, (৪) কেঁহজালি (১ জনীয়া) - ২৫০ টকা আৰু (৪) দেওপাহাৰ (১ জনীয়া) - ১০০ টকা মাত্ৰ। টিকট বিতৰণৰ বাবে দায়িত্ববাহী সদস্যসকল হ'ল - সৰ্বশ্ৰী ৰূপজ্যোতি হাজৰিকা, হেমন্ত কুমাৰ নাথ, সঞ্জীৱ দাস, অৰশ গগৈ, বংকু মনি শইকীয়া, অনন্ত বৰুৱা, অপূৰ্ব মজুমদাৰ, প্ৰাণজ্যোতি শইকীয়া, বিশ্বজিৎ বড়া, অমূল্য কুমাৰ বড়া, গজেন্দ্ৰ নাথ দাস, ভবেশ কলিতা, অলীন্দ্ৰ বৰ্মন, অনিল ডেকা, অজিত কুমাৰ দাস, সংগম পঞ্চানন, দিলীপ শইকীয়া, সাহিত্য সভাৰ কাৰ্যালয় (পুৱা ১০ বজাৰ পৰা ৫-৩০ বজালৈ), দীপু কুমাৰ ভট্ট। উল্লেখযোগ্য যে মাহিলী বেতন কৰ্তনৰ ব্যৱস্থাৰে টিকট ক্ৰয়ৰ সুবিধা বাহাল ৰখা হৈছে।

ধন্যবাদেৰে -

থিয়েটাৰ পৰিচালনা সমিতিৰ হৈ

| | | |
|---|---|---|
| (পংকজ কুমাৰ বৰুৱা) | (অনিল ডেকা ) | (অজিত কুমাৰ দাস) |
| সভাপতি | যুটীয়া সম্পাদক | যুটীয়া সম্পাদক |